# 2016

## ASSAMESE

( Major )

Paper : 5.6

( ভাষাৰ স্বৰূপ )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ লিখা (যি কোনো সাতটা) : ১×৭=৭

(ক) *Linguistic Survey of India* নামৰ গ্ৰন্থখনৰ প্ৰণেতা কোন?

(খ) "A language is a system of arbitrary vocal symbols by which members of a social group co-operate and interact." ভাষা সম্পৰ্কীয় এই উক্তিটো কাৰ?

(গ) ৰূপ-ৰচনা আৰু বাক্য-ৰচনাৰ ওপৰত ভিত্তি কৰি কৰা ভাষাৰ বৰ্গীকৰণক কি নাম দিয়া হৈছে?

(ঘ) দ্ৰাবিড়ীয় ভাষা পৰিয়ালৰ আটাইতকৈ প্ৰাচীন আৰু সমৃদ্ধিশালী ভাষাটো কি?

(ঙ) এছ্‌পিৰেন্টো ভাষাটো কিমান চনত আৱিস্কাৰ হৈছিল ?

(চ) 'সুৰপ্ৰধানতা' পৃথিৱীৰ কোন ভাষাৰ প্ৰধান বৈশিষ্ট্য ?

(ছ) হোমাৰৰ 'ইলিয়াড' আৰু 'ওডিচি' মহাকাব্য দুখন গ্ৰীচৰ কোনটো উপভাষাত ৰচিত ?

(জ) ভাৰত-ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তৰ্গত ভাৰতীয় আৰু ইৰানীয় শাখাৰ মধ্যৱৰ্তী শাখাটো কি ?

(ঝ) পণ্ডিত মেক্স মূলাৰে ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালটোক কি নাম দিছিল ?

২। চমু উত্তৰ লিখা (যি কোনো **চাৰিটা**) : ২×৪=৮

(ক) ভাষাৰ যাদৃচ্ছিকতা বুলিলে কি বুজা ?

(খ) ভাৰতবৰ্ষত কি কি ভাষা পৰিয়ালৰ ভাষাৰ প্ৰচলন আছে ?

(গ) অপভাষা কি, চমুকৈ লিখা।

(ঘ) "ভাষাৰ মাজত পাৰস্পৰিক সম্পৰ্ক স্থাপন কৰিবলৈ হ'লে মূলতঃ ছটা বিষয়ৰ ওপৰত চকু দিব লাগে।" এই বিষয় ছটা কি কি ?

(ঙ) চমু টোকা লিখা—পাটৌই আৰু পাৰ্লে।

(চ) উমৈহতীয়া ভাষা বুলিলে কি বুজা, উদাহৰণসহ উল্লেখ কৰা।

(ছ) কামৰূপী উপভাষাত অপিনিহিতি সম্পৰ্কে লিখা।





৩। উত্তৰ লিখা (যি কোনো **তিনিটা**) : ৫×৩=১৫

(ক) ভাষাৰ উৎপত্তি সম্পৰ্কীয় 'ক্ৰমবিকাশবাদ' সূত্ৰটি ব্যাখ্যা কৰা।

(খ) ৰাষ্ট্ৰভাষা কাক বোলে ? স্বাভাৱিক আৰু কৃত্ৰিম ৰাষ্ট্ৰভাষাৰ কোনটো অধিক গ্ৰহণীয় বুলি তুমি বিবেচনা কৰা, যুক্তি দৰ্শাই লিখা।

(গ) "মান্যভাষা নিজেও এটা উপভাষাহে।" কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰা।

(ঘ) ভাষাৰ প্ৰগতি আৰু অৱনতি বুলিলে কি বুজা, বহলাই লিখা।

(ঙ) ব্লুমফিল্ডে গ্ৰীমৰ ধ্বনি-নিয়মক কেনেদৰে বৰ্ণাইছে, উদাহৰণসহ বুজাই লিখা।

৪। (ক) ভাষাৰ বৰ্গীকৰণ বুলিলে কি বুজা ? ভাষাক কি কি প্ৰকাৰে বৰ্গীকৰণ কৰিব পাৰি ? কোন দুটা বৰ্গীকৰণক ভাষাবিদসকলে অধিক বিজ্ঞানসম্মত বুলি বিবেচনা কৰে ? ইয়াৰে কি যি কোনো এক প্ৰকাৰ বৰ্গীকৰণ সম্পৰ্কে বিশদ আলোচনা কৰা। ১+২+১+৬=১০

*অথবা*

(খ) ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ আদিম বাসস্থান আৰু উৎপত্তি কাল ঠাৰৰ কৰি এই ভাষা পৰিয়ালৰ প্ৰধান বৈশিষ্ট্যসমূহ আলোচনা কৰা। ২+২+৬=১০

৫। (ক) ভাষাৰ সৈতে প্ৰজাতি, সমাজ আৰু সংস্কৃতিৰ সম্পৰ্ক বিচাৰ কৰি এটি নাতিদীৰ্ঘ প্ৰবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) ভাষাৰ উৎপত্তি সম্পৰ্কে পণ্ডিতসকলে আগবঢ়োৱা বিভিন্ন সূত্ৰসমূহ আলোচনা কৰি তাৰে কোনটো সূত্ৰ অধিক বিজ্ঞানসম্মত বুলি ভাবা, যুক্তি দৰ্শাই লিখা। ৮+২=১০

৬। (ক) ধ্বনি পৰিৱৰ্তন বুলিলে কি বুজা? ভাষাৰ ধ্বনি পৰিৱৰ্তনৰ বিভিন্ন কাৰণসমূহ উদাহৰণসহ আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) তলত দিয়া যি কোনো চাৰিটা ধ্বনি পৰিৱৰ্তনৰ দিশৰ বিষয়ে চমু টোকা লিখা : $২\frac{১}{২}\times৪=১০$

ব্যঞ্জন সমীভৱন ; স্বৰভক্তি ; মধ্যস্বৰ লোপ ; বিষমীভৱন ; আদি স্বৰাগম ; অল্পপ্ৰাণীভৱন ; অপশ্ৰুতি।

★★★